**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-04-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**::::::::::::::::::::::::::::::::::::::::**

## Headlines

১। নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি অসম ভ্ৰমণ। কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীৰো যোৰহাটৰ নিৰ্বাচনী সভাত অংশগ্ৰহণ।

২। ৰাজ্যত ১৯ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে কাইলৈ বিয়লি ৫ বজাত প্ৰচাৰ অভিযানৰ সামৰণি।

৩। আজি অশোকাষ্টমী। ৰাজ্যৰ বিভিন্ন নৈ-উপনৈৰ ঘাটত অশোকাষ্টমী মেলাৰ আয়োজন।

৪। ৰাজ্যজুৰি সাদিনীয়া ৰঙালী বিহুৰ আজি চতুৰ্থ দিনটো তাঁতৰ বিহু হিচাপে পালন। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতা নাইট ৰাইডাৰ্ছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে অসমতো বিভিন্ন ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লক্ষ্যৰে আজি সন্ধিয়া গুৱাহাটীত উপস্থিত হ'ব। বৰঝাৰ বিমান বন্দৰৰ পৰা কইনাধৰালৈ যাত্ৰা কৰাৰ সময়ত প্ৰধানমন্ত্ৰীগৰাকীক দলীয় নেতা-কৰ্মীসকলৰ লগতে ৰাইজে আদৰণি জনাব। শ্ৰী মোদীৰ এই কাৰ্যসূচীৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী মহানগৰীত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। প্ৰধানমন্ত্ৰীৰ আগমনৰ প্ৰতি লক্ষ্য ৰাখি মহানগৰীৰ কেইবাটাও পথত বাণিজ্যিক যান-বাহন চলাচলত নিষেধাজ্ঞা জাৰি কৰা হৈছে। সেই অনুসৰি আজি বিয়লি ৩ বজাৰ পৰা নিশা ১০ বজালৈকে ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ লগতে ডি জি ৰোড, এম জি ৰোড, বি বৰুৱা ৰোড, জি এন বি ৰোড আৰু ডি ছে ৰোডত বাণিজ্যিক সামগ্ৰী কঢ়িওৱা কোনো ধৰণৰ বাহন চলাচল কৰিব নোৱাৰিব। আনহাতে, ডি জি ৰোড, এম জি ৰোড, বি বৰুৱা ৰোড, জি এন বি ৰোড আৰু জি এছ ৰোডত মন্থৰ গতিৰ যান-বাহন চলাচলত বাধা কৰা হৈছে বুলি গুৱাহাটী উপ আৰক্ষী আয়ুক্তৰ যান-বাহন শাখা কাৰ্যালয়ৰ পৰা এইকথা জানিবলৈ দিয়ে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে কাইলৈ বৰপেটা আৰু দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ প্ৰাৰ্থী দুগৰাকীৰ হৈ নলবাৰীত নিৰ্বাচনী প্ৰচাৰত অংশ ল'ব। এই কাৰ্যসূচীক কেন্দ্ৰ কৰি নলবাৰী জিলাত ব্যাপক প্ৰস্তুতি অব্যাহত আছে।

ইপিনে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই অহা ১৮ এপ্ৰিলত কোকৰাঝাৰত নিৰ্বাচনী প্ৰচাৰত অংশ লোৱাৰ কথা আছে। তেওঁ বিজেপি মিত্ৰজোঁটৰ ইউ পি পি এলৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ প্ৰচাৰত ভাগ ল'ব।

আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যোৰহাট লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ মাজুলীৰ জেংৰাইমুখৰ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব।

ডিব্ৰুগড় সমষ্টিৰ বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালেও আজি নাহৰকটীয়া বিধানসভা সমষ্টিৰ বিভিন্ন অঞ্চলত কেইবাটাও প্ৰচাৰ কাৰ্যসূচীত অংশ ল'ব।

আনহাতে, আজি কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে যোৰহাটৰ তিতাবৰত উপস্থিত হৈ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। তেওঁ যোৰহাট সমষ্টিৰ বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী গৌৰৱ গগৈৰ হৈ তিতাবৰৰ পৰা যোৰহাটলৈ এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰি প্ৰচাৰ চলাব।

গুৱাহাটী লোকসভা সমষ্টিৰ ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ মনোনীত তথা বিৰোধী ঐক্যমঞ্চৰ সমৰ্থিত প্ৰাৰ্থী মীৰা বৰঠাকুৰে তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কামৰূপ মহানগৰ জিলা আয়ুক্ত কাৰ্যালয়ত আজি মনোনয়ন পত্ৰ দাখিল কৰিব।

০০০০০০০

ৰাজ্যত অনুষ্ঠিত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে কাইলৈ প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। নিৰ্বাচন আয়োগৰ নীতি অনুসৰি কাইলৈ বিয়লি ৫ বজালৈকে ৰাজনৈতিক দলসমূহে প্ৰচাৰ চলাব পাৰিব। ৫ বজাৰ পিছত দলসমূহে কোনোধৰণৰ প্ৰচাৰ কাৰ্যসূচীত অংশ ল'ব নোৱাৰিব। উল্লেখ্য যে অহা ১৯ এপ্ৰিলত ৰাজ্যখনৰ ৫টা সমষ্টিত প্ৰথম পৰ্যায়ৰ লোকসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব।

নিৰ্বাচনলৈ মাজত মাত্ৰ দুটা দিন বাকী থকা অৱস্থাত নিৰ্বাচন হ'বলগীয়া জিলাসমূহৰ প্ৰশাসনে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ ঘটনা ৰোধ কৰাৰ উপৰি এই নিৰ্বাচন নিয়াৰিকৈ পৰিচালনাৰ বাবে প্ৰতিখন জিলা প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ১৯ এপ্ৰিলত নিৰ্বাচন হবলগীয়া কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিৰ অন্তৰ্ভুক্ত জিলাকেইখনত ১৭ এপ্ৰিলৰ বিয়লি ৫ বজাৰ পৰা ভোটদানৰ দিনা বিয়লি ৫ বজা পৰ্যন্ত সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। এই সময়ছোৱাত সুৰাজাতীয় সামগ্ৰী বিক্ৰী কৰা পাইকাৰী আৰু খুচুৰা বিপনী তথা দেশীয় সুৰাৰ দোকানসমূহ বন্ধ থাকিব। এই আদেশ উলংঘাকাৰীৰ বিৰুদ্ধে অসম আৰকাৰী আইনৰ নিৰ্দিষ্ট ধাৰাৰ অধীনত বিধিগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইফালে, দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবেও জিলাসমূহত যাৱতীয় ব্যৱস্থা লোৱা হৈছে। দ্বিতীয় পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া কৰিমগঞ্জত অহা ১৮ এপ্ৰিলৰ পৰা প্ৰিজাইদিং আৰু পোলিং বিষয়াৰ প্ৰশিক্ষণ শিবিৰ মুকলি কৰা হ'ব। এই শিবিৰ দিনৰ ১০ বজাৰ পৰা বিয়লি চাৰে চাৰি বজালৈ মুকলি থাকিব।

০০০০০০০

আজি অশোকাষ্টমী। চ'ত মাহৰ শুক্ল অষ্টমী তিথিত অশোকাষ্টমী পালন কৰা হয়। আজিৰ দিনটোত ব্ৰহ্মপুত্ৰ,¯ গংগা আৰু যমুনাৰ ত্ৰিবেণী সংগম হয়। যাৰ বাবে মৃতকৰ অস্থি প্ৰদান, পিণ্ডদান তথা বৰলুইতত স্নান কৰিলে মোক্ষ প্ৰাপ্তি হয় বুলি লোক পৰম্পৰা চলি আহিছে। এই উপলক্ষে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে অশ্বক্লান্ত দেৱালয়ৰ বিষ্ণুকুণ্ডত পিতৃ-মাতৃৰ পিণ্ডদান, অস্থি প্ৰদান আৰু স্নানৰ বাবে আজি অগণন লোকৰ সমাগম হয়।

ইপিনে, কামৰূপ জিলাৰ বিভিন্ন নৈ-উপনৈৰ ঘাটতো হাজাৰ হাজাৰ ভক্তৰ সমাগম হৈছে। জিলাখনৰ শুৱালকুছিৰ বালিচৰ, আমিনগাঁও, উত্তৰ গুৱাহাটীৰ ব্ৰহ্মপুত্ৰৰ লগতে ৰঙিয়াৰ জয়ন্তীপুৰৰ বৰলীয়া, বকোৰ জলজলী, ছয়গাঁৱৰ কলহী আদি নৈৰ ঘাটতো বহু লোকৰ সমাগম হয়।

আনহাতে, বস্ত্ৰনগৰী শুৱালকুছিত হাজোৰ শ্ৰী শ্ৰী মাধৱ প্ৰভুক ব্ৰহ্মপুত্ৰত স্নান কৰোৱাৰ ঐতিহ্যমণ্ডিত পৰম্পৰাক কেন্দ্ৰ কৰি বালিচৰত সাতদিনীয়া কাৰ্যসূচীৰে অশোকাষ্টমী মেলা অনুষ্ঠিত হৈছে। আজি মাধৱ প্ৰভুসহ সপ্ত গোঁসাইক পবিত্ৰ ব্ৰহ্মপুত্ৰত স্নান কৰোৱা হ'ব।

০০০০০০০

ৰাজ্যজুৰি অব্যাহত আছে ৰঙালীৰ উছাহ। অসমবাসীয়ে আজি সাদিনীয়া ৰঙালী বিহুৰ চতুৰ্থ দিনটো তাঁতৰ বিহু হিচাপে পালন কৰিব। ৰঙালী বিহুৰ পৰম্পৰা অনুসৰি সাত বিহুৰ অন্যতম হ'ল তাঁতৰ বিহু। অসমীয়া জনজীৱনৰ আদৰৰ সম্পদ তাঁতশাল। সেয়েহে বিহুৰ চতুৰ্থ দিনা তাঁতৰ বিহু হিচাপে অসমীয়াই পালন কৰি আহিছে। কাইলৈ নাঙল বিহু, পৰহিলৈ জীয়ৰী বা চেনেহী বিহু আৰু শুকুৰবাৰে চেৰাবিহু পালন কৰা হ'ব। অৱশ্যে, ঠাই বিশেষে সাদিনীয়া বিহুৰ প্ৰতিটো দিনৰে নামৰ ক্ষেত্ৰত কিছু বৈসাদৃশ্য আছে। সাদিনীয়া বিহুৰ শেষৰটো দিনত বিভিন্ন অঞ্চলত বিহু ভঙা উৎসৱ, পাৰতোলা বা ভঠেলী পালন কৰা হ'ব। তদুপৰি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে মঞ্চ বিহু অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানসমূহত হুঁচৰী, বিহুনাচ, লোক কৃষ্টিৰ বিভিন্ন অনুষ্ঠানৰ লগতে জনপ্ৰিয় সংগীত শিল্পীৰ সংগীতানুষ্ঠান উপভোগ কৰিবলৈ অগনন লোকৰ সমাগম হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এন ডি এ প্ৰাৰ্থীৰ সমৰ্থনত বিহাৰ আৰু পশ্চিমবংগৰ কেইবাখনো জনসভাত অংশগ্ৰহণ কৰিব। বিহাৰৰ গয়া আৰু পুৰ্নিয়াত দুখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি বিজেপিৰ প্ৰাৰ্থী কেইগৰাকীৰ হৈ প্ৰচাৰ চলাব। ইয়াৰে প্ৰথমখন সভা গয়া লোকসভা সমষ্টিৰ গান্ধী মৈদানত আৰু দ্বিতীয়খন সভা পুৰ্নিয়াৰ ৰংভূমি মৈদানত আয়োজন কৰা হৈছে। ইফালে পশ্চিমবংগৰ বালৰুঘাট ৰে'লৰে খেলপথাৰ আৰু ৰায়গঞ্জত আয়োজিত দুখন নিৰ্বাচনী সভাত প্ৰধানমন্ত্ৰীগৰাকীয়ে অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীৰ কাৰ্যসূচীৰ প্ৰতি লক্ষ্য ৰাখি সকলো ঠাইতে বিশেষ সুৰক্ষাৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০

প্ৰথম পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া লখিমপুৰ লোকসভা সমষ্টিৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত লখিমপুৰৰ জিলা আয়ুক্তই জাৰি কৰা এটা নিৰ্দেশনাৰ জৰিয়তে জিলাখনৰ সকলো চেলুলাৰ অ'পাৰেটৰক আজি বিয়লি ৫ বজাৰ পৰা ১৯ এপ্ৰিলৰ বিয়লি ৫ বজালৈ কোনো ধৰণৰ ৰাজনৈতিক বাৰ্তা, ভইছ মেচেজ বা ৰাজনৈতিক দলৰ অন্য কোনো ধৰণৰ যোগাযোগৰ বাৰ্তা প্ৰেৰণত সহায় নকৰিবলৈ নিৰ্দেশ দিয়া হৈছে। দেশৰ নিৰ্বাচন আয়োগৰ দ্বাৰা জাৰি কৰা নিৰ্বাচনৰ আদৰ্শ আচৰণ বিধি ১০ দশমিক ৫ ত উল্লেখিত ভোটদানৰ দিনাংকৰ শেষৰ ৭২ ঘণ্টাৰ বাবে ধাৰ্য্য কৰা মানসম্পন্ন কাৰ্য পৰিচালনা পদ্ধতিৰ ভিত্তিত এই নিৰ্দেশ জাৰি কৰা হৈছে। এই নিৰ্দেশ উলংঘা কৰা অ'পাৰেটৰ বিৰুদ্ধে দণ্ডনীয় ব্যৱস্থা লোৱা হ'ব বুলি নিৰ্দেশটোত কোৱা হৈছে।

দ্বিতীয় পৰ্যায়ত অহা ২৬ এপ্ৰিলত ৰাজ্যখনৰ দৰং-ওদালগুৰি, ডিফু-কৰিমগঞ্জ, শিলচৰ আৰু নগাওঁ সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। নগাওঁ লোকসভা সমষ্টিৰ অধীনৰ মৰিগাওঁ নিৰ্বাচনী জিলাত ভোটগ্ৰহণ সুকলমে সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসন আৰু জিলা নিৰ্বাচনী শাখাই ব্যাপক প্ৰস্তুতি অব্যাহত ৰাখিছে। জিলাখনৰ আয়ুক্ত তথা মৰিগাওঁ জিলাৰ নিৰ্বাচনী বিষয়া দেৱাশীষ শৰ্মাই ভোটগ্ৰহণৰ প্ৰস্তুতি সম্পৰ্কে বিশেষ মন্তব্য আগবঢ়াইছে। তেওঁ কয় যে নগাওঁ সমষ্টিৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ ১৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ২৬ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৫ বজালৈ ভোটগ্ৰহণ হ'ব। নগাওঁ সমষ্টিৰ অন্তৰ্গত মৰিগাওঁ নিৰ্বাচনী জিলাৰ ৩টা বিধানসভা সমষ্টিত ভোটগ্ৰহণৰ বাবে জিলাখনৰ প্ৰশাসনে বিহিত ব্যৱস্থা লৈছে। জিলাখনত এইবাৰ ৭ লাখ ২৫ হাজাৰ ৮শ এগৰাকী ভোটদাতা আছে। ইয়াৰে ৩ লাখ ৬৬ হাজাৰৰো অধিক পুৰুষ আৰু ৩ লাখ ৫৯ হাজাৰৰো অধিক মহিলা ভোটদাতা।

০০০০০০০

আগন্তুক লোকসভা নিৰ্বাচনত ভোটদাতাৰ ১০০ শতাংশ অংশগ্ৰহণ নিশ্চিত কৰাৰ লক্ষ্যৰে কামৰূপ জিলাৰ আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া কীৰ্তি জল্লীয়ে বিশেষ বিহু শুভেচ্ছা কাৰ্যসূচী গ্ৰহণ কৰিছে। আয়ুক্তগৰাকীয়ে কালি দলবাৰী গাঁৱৰ ১০৫ বছৰীয়া ভোটদাতা ৰমতী বৈশ্যৰ বাসগৃহত উপস্থিত হৈ তেওঁক বিহুৰ শুভেচ্ছা জ্ঞাপন কৰে। ৰঙালী বিহুত জ্যেষ্ঠজনক বিহুৰ শুভেচ্ছা জ্ঞাপন আৰু আশীৰ্বাদ লোৱা পৰম্পৰাৰ সৈতে সংগতি ৰাখি লোকসভা নিৰ্বাচনত ভোটদাতাৰ ১০০ শতাংশ অংশগ্ৰহণ নিশ্চিত কৰাৰ লক্ষ্যৰে নিৰ্বাচনী বিষয়াগৰাকীয়ে জিলাখনৰ ৮৫ বছৰ উৰ্ধৰ ভোটদাতাসকলক বিহুৰ শুভেচ্ছা জনোৱাৰ লগতে ভোটদান প্ৰক্ৰিয়াত অংশগ্ৰহণৰ আহ্বান জনাই এই কাৰ্যসূচী ৰূপায়ণ কৰে। পদ্ধতিগত ভোটাৰ সজাগতা আৰু নিৰ্বাচনী অংশগ্ৰহণ কাৰ্যসূচীৰ অধীনত কামৰূপ জিলা প্ৰশাসনে জিলাখনৰ হাজো, শুৱালকুছি, বকো, ছয়গাঁও, পলাশবাৰী আৰু ছমৰীয়া বিধানসভা সমষ্টিৰ ৮৫ বছৰৰ উৰ্ধৰ কেইবাগৰাকীও ভোটদাতাক বিহুৰ শুভেচ্ছা জনোৱাৰ লগতে ভোটদান প্ৰক্ৰিয়াত অংশগ্ৰহণৰ আহ্বান জনায়।

০০০০০০০

লোকসভা নিৰ্বাচন উপলক্ষে ৰাজ্য চৰকাৰে ভোটগ্ৰহণৰ দিনকেইটাত বেতনসহ ছুটী ঘোষণা কৰিছে। অসম চৰকাৰৰ শ্ৰমিক কল্যাণ বিভাগে জাৰি কৰা অধিসূচনা অনুযায়ী অসমত ৩টা পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া ১৯ এপ্ৰিল, ২৬ এপ্ৰিল আৰু ৭ মে' দিনকেইটাত সকলো কাৰখানা, চাহ বাগিচা, দোকান তথা বাণিজ্যিক প্ৰতিষ্ঠান, ৰাজহুৱা আমোদ প্ৰমোদ বা বিনোদন প্ৰতিষ্ঠানকে ধৰি সকলো উদ্যোগ, কৰ্মশালা, ব্যৱসায়িক প্ৰতিষ্ঠান আৰু বেংক তথা অন্যান্য বিত্তীয় প্ৰতিষ্ঠানসমূহৰ কৰ্মচাৰীসকলৰ কাৰণে বেতনসহ ছুটী ঘোষণা কৰা হৈছে। উল্লেখযোগ্য যে জনপ্ৰতিনিধিত্ব আইনৰ ১৩৫ নম্বৰ ধাৰা অনুযায়ী ভোটগ্ৰহণ হ'বলগীয়া সমষ্টিৰ ক্ষেত্ৰত সমষ্টিটোৰ বাহিৰত কৰ্মৰত কৰ্মচাৰীসকলৰ বাবেহে এই নিৰ্দেশনা প্ৰযোজ্য হব। একে ধাৰা অনুযায়ী অসমৰ সীমামূৰীয়া জিলাত বাস কৰা চুবুৰীয়া ৰাজ্যৰ ভোটাৰসকলেও নিজৰ সমষ্টিত ভোটগ্ৰহণৰ বাবে বেতনসহ ছুটীৰ সুবিধা লাভ কৰিব। পুনৰ নিৰ্বাচন অনুষ্ঠিত কৰিবলগীয়া হ'লেও নিৰ্বাচন অনুষ্ঠিত হোৱাৰ দিনা কৰ্মচাৰীসকলৰ ক্ষেত্ৰত নিৰ্দেশনা প্ৰযোজ্য হ'ব।

০০০০০০০

কংগ্ৰেছৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেই আজি নাগালেণ্ডৰ ডিমাপুৰত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। সভাখন দিনৰ ১২ বজাত আৰম্ভ হ'ব। ক'হিমাৰ কংগ্ৰেছ ভৱনত আয়োজিত এখন সংবাদ মেলত কালি নাগালেণ্ড, মণিপুৰ, ছিকিম আৰু ত্ৰিপুৰাৰ অল ইণ্ডিয়া কংগ্ৰেছ কমিতি, এ আই চি চিৰ দায়িত্বৱাহী গিৰিশ চোদনকাৰে অধ্যক্ষগৰাকীৰ প্ৰচাৰ সভাৰ বিষয়ে অৱগত কৰে। জনসাধাৰণে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মিছা প্ৰতিশ্ৰুতিসমূহত আৰু বিশ্বাস নকৰে বুলি উল্লেখ কৰি তেওঁ দেশৰ জনসাধাৰণৰ মানসিকতা ক্ৰমে সলনি হোৱা বুলি দাবী কৰে। সমাগত নিৰ্বাচন দেশৰ ভৱিষ্যৎ ৰক্ষাৰ লগতে সংবিধানক সুৰক্ষা প্ৰদানৰ নিৰ্বাচন বুলি তেওঁ অভিহিত কৰে।

ৰাজ্যখনৰ একমাত্ৰ আসনখনৰ বাবে অহা ১৯ এপ্ৰিলত প্ৰথম পৰ্যায়ত লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত কলকাতা নাইট ৰাইডাৰ্ছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইফালে, যোৱা নিশা বেংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত চানৰাইজাৰ্ছ হায়দৰাবাদে ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুক ২৫ ৰানত পৰাজিত কৰে। ২৮৮ ৰানৰ লক্ষ্যৰে খেল আৰম্ভ কৰি বেংগালুৰু দলটোৱে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ২৬২ ৰান কৰিবলৈ সক্ষম হয়। দলটোৰ হৈ দীনেশ কাৰ্তিকে ৩৫ টা বলত সৰ্বাধিক ৮৩ ৰানৰ বৰঙণি আগবঢ়ায়। দলটোৰ অধিনায়ক ফাফ ডু প্লেছিয়ে ২৮ টা বলত ৬২ আৰু বিৰাট কোহলিয়ে ২০টা বলত ৪২ ৰান কৰে।

০০০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ প্ৰচাৰৰ উদ্দেশ্যে দুদিনীয়া ভ্ৰমণ সূচীৰে আজি গুৱাহাটীত উপস্থিত হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। এই বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন প্ৰধান বাতৰি কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। দৈনিক অসম কাকতৰ এই বাতৰিটোৰ শিৰোনাম **দুদিনীয়া ভ্ৰমণসূচীৰে আজি অসমলৈ আহিব প্ৰধানমন্ত্ৰী, কাইলৈ নলবাৰীত প্ৰচাৰ**। একেটা বাতৰিকে **নিয়মীয়া বাৰ্তা, দৈনিক জনমভূমি, দি আছাম ট্ৰিবিউন, অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ঐতিহ্য পৰম্পৰাৰে পহিলা ব'হাগত জীপাল হ'ল ৰংঘৰৰ বাকৰি। এই শিৰোনামেৰে তলাতল ঘৰৰ পৰা হাতীত উঠি প্ৰতিকী স্বৰ্গদেউৱে ৰংঘৰত অৱস্থান লৈ ৰংপুৰ ৰঙালী বিহুৰ আনুষ্ঠানিক কাৰ্যসূচী মুকলি কৰাৰ বাতৰিটো **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গ্লোবেল ফৰেষ্ট ৱাটছৰ শেহতীয়া এক প্ৰতিবেদন অনুসৰি দেশত বেছি বন ধবংস হোৱা ৫ ৰাজ্যৰ অন্যতম হৈছে অসম। এই সন্দৰ্ভত প্ৰস্তুত কৰা এটা বিতং বাতৰি **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**অসমীয়া প্ৰতিদিন** কাকতে অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুক লৈ প্ৰস্তুত কৰা এটা বিতং বাতৰি প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম **ৰঙালী বিহুক লৈ ব্যাপক উৎসাহ-উদ্দীপনা, ঢোলৰ গুমগুমনিত উখল-মাখল ৰাজ্য**। পৰম্পৰাগত ৰীতি-নীতিৰে গৰু বিহু, মানুহ বিহু, গোসাঁই বিহু পালনৰ বাতৰিটো আজি আন কেইবাখনো বাতৰিকাকতে মুখ্য বাতৰিৰ স্থান দিছে।

ভৰলু নৈৰ প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ে বিতং শপতনামা দাখিলৰ নিৰ্দেশ দিছে। এই বাতৰিটো দ্যা ছেণ্টিনেল কাকতে HC Directs Dispur to furnish details of interim measures শিৰোনামেৰে বাতৰিটো প্ৰথম পৃষ্ঠা গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে - ইজৰাইলত ইৰাণৰ আক্ৰমণক লৈ বিশ্বত উত্তেজনা, গোৱাত দুৰ্ঘটনাত নিহত তিতাবৰৰ দুজন যুৱক, লোকসভা নিৰ্বাচনৰ পাছতে অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ সম্ভাৱনা, কাইলৈ শিলচৰ-বৰপেটালৈ আহিব মমতা বেনাৰ্জী, কা উচ্চতম ন্যায়ালয়ত নেছৰ আবেদনৰ শুনানি, আজি তিতাবৰত প্ৰিয়ংকা গান্ধীৰ ৰোড শ্ব' ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিৰ চমু অৱলোকন।

ooooooooo

**সমাপ্ত**